বাবে সত্ৰ আৰু আশ্ৰমৰ সংস্কাৰ আৰু আৱশ্যকতা আদি বিষয়বো অৱতাৰণা কৰি, আৰু "ৰঙ্গিলী" আদিত অসম ৰজাৰ দিনত বিহুৰ ৰীতি-নীতি আৰু সামাজিক ব্যৱহাৰৰ বৰ্ণনা দি বৰ্ত্তমান জীৱনৰ লগত সম্পৰ্কিত কৰিছে। ৰৰদলৈৰ ব্যক্তিত্বৰ মোহেও এওঁৰ সাহিত্যক ৰঙীন কৰি তুলিছে।

পদ্মনাথ গোহাঁই বৰুৱা (১৮৭১-১৯৪৫) ১৭৯৩ শকৰ ৯ আঘোণত উত্তৰ লখীমপুৰৰ নকাৰী গাঁৱত ওপজে; এওঁৰ পিতাক ঘিণাৰাম। তাৰ পৰা ছাত্ৰবৃত্তি মহলাত উঠি এওঁ শিৱসাগৰৰ ইংৰাজী পঢ়াশালিত নাম লগায়, কিন্তু মাজতে তাৰ পৰা গৈ মণ্ডল-মৌজাদাৰৰ শিক্ষাৰ বাবে ছুৰ্ভে পঢ়ে। ১৮৯০ত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ এওঁ ক্ৰমে এফ্-এ আৰু এল্-এল্ পৰীক্ষাৰ বাবে পঢ়ি এটাতো কৃতকাৰ্য্য হব নোৱাৰি ঘৰলৈ ওলটে। তাৰ পাছত কহিমা মজলীয়া ইংৰাজী পঢ়াশালিৰ ঘাই শিক্ষক আৰু যোৰহাট আদিত সহকাৰী শিক্ষক ৰূপে কিছুকাল চাকৰি কৰি এওঁ অসময়তে তাৰ পৰা আজৰি হয়। কলিকতীয়া ছাত্ৰ জীৱনতে এওঁ অসমীয়া সাহিত্য-চৰ্চ্চাত যোগ দিয়ে আৰু অলপ দিন "বিজুলী"ৰ সম্পাদক হয়। ১৮৯২ত এই কাকতত ওলোৱা এওঁৰ "ভানুমতী" প্ৰথম অসমীয়া স্বকথিত উপন্যাস; ইয়াৰ পাছত এওঁৰ "লাহৰী" উপন্যাস ওলায়। ১৮২১ শকত প্ৰথমা পত্নীৰ বিয়োগ উপলক্ষে এওঁৰ "লীলা" নামৰ দীঘলীয়া কবিতাটি আৰু ১৯০৮ত কণ কণ কবিতাৰ পুথি "জুৰণি" প্ৰকাশিত হয়। গদাধৰ, জয়মতী, সাধনী, লাচিত ফুকন নামৰ বুৰঞ্জীমূলক বিষয়ৰ বাহিৰেও এওঁ টেটোন তামুলী, গাঁওবুঢ়া, ভূত নে ভ্ৰম নামৰ কেৰাখনো ধেমেলীয়া কথাৰ নাটক লিখে। ভাটি বয়সত এওঁৰ কৃষ্ণচৰিত আৰু গীতাসাৰ, আৰু আগবয়সত "নীতিশিক্ষা" "ভূগোল-দৰ্পণ" পাঠ্যপুথিও প্ৰকাশিত হয়। উপন্যাস বা নাটক, গদ্য বা পদ্য লিখাৰ ভিতৰৰ মূল্যতকৈও এওঁৰ উদ্যম আৰু সাহিত্যৰ পৰিসৰ-বৃদ্ধিৰ চেষ্টা অধিক প্ৰশংসনীয়; আৰু ভাব-চিন্তাতকৈ এওঁৰ ভাষাৰ পৰিপাটিতাহে ঘাইকৈ চকুত লগা। এওঁলোকৰ পাছত দণ্ডিনাথ কলিতা আৰু দৈৱচন্দ্ৰ তালুকদাৰ আদিৰ উপন্যাস-ৰচনাৰ চেষ্টা লেখৰ; কিন্তু আন আন বিভাগৰ দৰেই এই বিভাগতো লেখকসকলৰ নিজ কলা-বিদ্যাৰ চৰ্চ্চা আৰু সামাজিক সমস্যাৰ অধ্যয়ন উভয়তে দৈন্য দুখ কৰিবলগীয়া; সাহিত্য-ৰচনা সাধাৰণতে মাত্ৰ আত্ম-সন্তুষ্টিমূলক বা সমাজ-নিৰপেক্ষ হব নালাগে যে ইংৰাজী বঙলা আদি আধুনিক উপন্যাসৰ আদৰ্শ ই এই বিষয়ত নিশ্চয় চেতনা জগাব লাগে।

উপন্যাসৰ দৰেই চুটি-সাধুও ভাৰতীয় তথা অসমীয়া সাহিত্যলৈ ইউৰপীয় সাহিত্যৰে অৱদান বুলিব লাগিব। বিভিন্ন হেতুত যেনেকৈ উপন্যাস পুৰণি সাধুৰ পৰা সুকীয়া, তেনে আন বিভিন্ন কাৰণতে চুটি-সাধু উপন্যাসৰ পৰা স্বতন্ত্ৰ; ওপৰে ওপৰে চালে, উপন্যাস নায়ক-নায়িকাৰ একোটা সম্পূৰ্ণ জীৱনৰ আৰু চুটি-সাধু তাৰ কোনো এছোৱাৰ বা কোনো অভিনৱ মুহূৰ্ত্তৰ চিত্ৰ; সেই বুলি উপন্যাসৰ একো ছোৱাই একোটা চুটি-সাধু হব নোৱাৰে। চুটি-সাধু নিজ ক্ষেত্ৰত আৰু নিজ পৰিধিৰ ভিতৰত স্বয়ং সম্পূৰ্ণ এটা বস্তু; ই উপন্যাসৰ পৰা সম্পূৰ্ণ স্বতন্ত্ৰ এক কলাবিদ্যা। সাধুৰেই উপন্যাসৰ আদি অৱস্থা বোলোঁতে যেনেকৈ সাধুৰ পৰা উপন্যাসৰ উত্তৱ বা উপন্যাসৰ উত্থানত সাধুৰ পতন এনে সুবুজায়, চুটি-সাধুৰ উদয়তো সেইদৰে সাধু বা উপন্যাসৰ বিলয় বা তেনে হব নোৱাৰে। অৱশ্যে কলাবিদ্যাৰূপে সাধুতকৈ উপন্যাসৰ লগতে চুটি-সাধুৰ সম্পৰ্ক ঘনিষ্ঠ; কিয়নো ই উপন্যাসতকৈও আধুনিক ইউৰপীয় আমদানি। তথাপি চুটি-সাধু বহুল আয়তনৰ উপন্যাসৰ সংক্ষিপ্ত সংস্কৰণ অৱশ্যে নহয়; উপন্যাসৰ লগত ইয়াৰ প্ৰভেদ অকল আকৃতিগতই নহয়, প্ৰকৃতিগতও।

চুটি-সাধুত উপন্যাসৰ ব্যাপকতা আৰু আহল-বহল পৰিধি নাই; পোনতে এইদেখিয়েই ইয়াৰ বিষয়-বাচনিত বিশেষ নিপুণতাৰ প্ৰয়োজন। স্নেপ্ লোৱাৰ দৰে চুটি-সাধুৰ বাবে জীৱনৰ এনে এটি খণ্ড বাচি লব লাগে যাতে সেই খণ্ডৰ সামান্য পৰিসৰৰ ভিতৰতে চুটি-সাধুৱে নিজ পৰিণতি লভিব পাৰে। তদুপৰি খন্তেকীয়া আৰম্ভণি আৰু সামৰণিৰ মাজতে চুটি-সাধুৰ বিশেষ ধৰণৰ নাটকীয় গুণৰো সন্নিবেশ থাকিব লাগিব। উপন্যাসৰ দৰে ধীৰ মন্থৰ গতিত আৰম্ভ হবৰ সুবিধা ইয়াৰ নাই আৰু নায়ক-নায়িকাৰ দীঘলীয়া চিনাকিৰ ঠায়ো ইয়াত নাই; সেই বাবে চুটি-সাধুৰ পৰিণতি বা চৰিত্ৰ-বিকাশৰ বাবে প্ৰয়োজনীয় তাকৰীয়া ঘটনাকেইটি অতি আলফুলকৈ বাচি লব লাগে। উপন্যাসৰ দীঘ-বানিত ভালেখিনি সেৰেঙা থাকিব পাৰে আৰু ঔপন্যাসিকে প্ৰসঙ্গৰ বাহিৰৰ নানা কথা বা মন্তব্যেৰেও সেইবোৰ পূৰাই লবৰ সুবিধা পায়; কিন্তু চুটি-সাধু ডাঠ কাপোৰ-বোৱা ঋাচ যেন ঘন হব লাগিব, বঙতেও তাক সেইদৰে খুন্দি বব লাগিব। অকল ঠাই ঠেক বুলিয়েই নহয়; চুটি-সাধুত অপ্ৰাসঙ্গিক বিষয়ৰ অৱতাৰণা তাৰ কলালৈ বিধিবদ্ধ নহয় বুলি নিষিদ্ধও; ইয়াৰ যি ঠাইত আঁৰ কাপোৰ পৰিব, তাৰ ভিতৰতে ইয়াৰ স্বাভাৱিক পৰিণতি আৰু পৰিসমাপ্তিৰ লক্ষণ এনেদৰে

স্পষ্ট হব লাগিব যাতে পঢ়োঁতাৰ মনে তাক সমস্যা-সমাধানৰ বিৰাম-চিন বুলি মানি লবলৈ সাজু হয়। চৌধটা আখৰৰ চৌধটা শাৰীয়েই যেনেকৈ পণ্ডত ছনেট্ নহয়, অক্টেভ্-ছেষ্টেৎ আদি ভাবৰ বিভাগ আৰু পৰিণতি-সাধনৰ উপৰিও ছন্দৰ মিলৰ বিশেষ নানা গঢ় সম্পূৰ্ণ মিলিলেহে তাক ছনেট্ বুলি অভিহিত কৰিব পৰা হয়ঃ তদুপৰি জাহাজখন যোৱাৰ পাছতো তাৰ ঢৌৱে বৰ নৈৰ পাৰ খলক লগাই থকাৰ দৰে চৌধ শাৰীৰ ক্ষুদ্ৰ পৰিধিৰ ভিতৰতে ভাষাৰ শেষ হলেও যেনেকৈ পঢ়োঁতাৰ হৃদয়ত সি ভাবৰ হেন্দোলনি তুলি থাকে; সেইদৰে চুটি-সাধুৰ কলা-কৌশল যেনে কঠিন, তেনে বিচক্ষণ।

আন কেইবাটাও বিভাগৰ দৰে, ১৯০৯ৰ জানুৱাৰীত "সুৰভি" আৰু ১৯১০ত "সাধুকথাৰ কুকি" আদিৰে বেজবৰুৱায়ে অসমীয়া চুটি-সাধুৰো সূত্ৰপাত কৰে। তাৰ পাছত ১৯১০ত "গল্পাঞ্জলি" আৰু ১৯২০ত "ময়না" পুথিৰে শৰৎচন্দ্ৰ গোস্বামীয়ে (১৮৮৭-১৯৪৭) চুটি-সাধুৰ কলাত বিশেষ যত্ন আৰু অধ্যয়নৰ চিন দেখুৱায়; ইতৰ প্ৰাণী আৰু ইতৰ সমাজৰ প্ৰতি সবল সহানুভূতি এওঁৰ চুটি-সাধুৰ বৈশিষ্ট্য। ইয়াৰ পাছত শ্ৰীমহীচন্দ্ৰ বৰা আৰু তৎপৰবৰ্ত্তী চুটি-সাধুৰ লেখক বহুত ওলাইছে; এই সাধুবোৰ সাধাৰণতে দুটা শ্ৰেণীত ভগাব পাৰি। বেজবৰুৱা আৰু তেওঁৰ পাছতে গোস্বামীৰ চুটি-সাধুতো অসমীয়া সামাজিক আৰু গাঁৱলীয়া জীৱনে যথেষ্ট ঠাই পাইছিল; কিন্তু বৰ্ত্তমান ক্ৰমে ক্ৰমে অসমীয়া চুটি-সাধুত সেই ঠাই চেপি কলেজীয়া ডেকা-গাভৰু বা ওপ চাকৰিয়ালৰ বিলাসী জীৱনে তাৰ সৰহখিনি অনধিকাৰ কৰিছে। খাজৰি টলষ্টয়ে তেওঁৰ "কলা কি" নামৰ গ্ৰন্থত মোপাছাৰ সাধুৰ ইন্দ্ৰিয়ালুতাৰ তীব্ৰভাৱে নিন্দা কৰিছে, কিয়নো তেওঁ সৰহখিনি সাধুত মানুহক কেৱল ইন্দ্ৰিয়াসক্ত অৰ্দ্ধ-পশুৰূপে ব্যৱহাৰ কৰিছে; এইবোৰৰ পিছফালে ঠিয় হৈ থকা মোপাছাৰ চেঙেৰা বয়স আৰু মদন-যন্ত্ৰৰ ধোঁৱাৰে ধুঁৱলি-কুঁৱলী এক বিলাসী ফৰাছী সমাজো অৱশ্যে সামান্য জগৰীয়া নহয় বুলি টলষ্টয়ে উল্লেখ কৰিছে। অসমীয়া সাহিত্যতো মোপাছা বা তেনে শিক্ষালয়ৰ নামত নিজৰ বৰাহ-ৰুচি চৰিতাৰ্থ কৰাৰ বাসনাকে ঢাকিবলৈ বাস্তৱবাদ বোলা এটা শব্দও চলিছে; মানুহৰ পশুত্বই অৱশ্যে এই বাস্তৱবাদ। মানুহ অৱশ্যে এই পশুত্ব আৰু দেৱত্বৰ দোমোজাত, ইয়াৰ ভিতৰত কোনটো বৰণীয় বুলি ভৰা হয়, তাৰ ওপৰতে সাহিত্যৰ আদৰ্শ নিৰ্ভৰ কৰে।

হেমচন্দ্ৰ বৰুৱাৰ "কানীয়া কীৰ্ত্তন" আৰু কেফায়ৎউল্লাৰ ধেমেলীয়া কথাৰ

নাট, বহুত খুত থকা হলেও এয়ে বৰ্ত্তমান অসমীয়া নাটৰ পাতনি। গুণাভিৰামৰ "ৰাম-নৱমী" আৰু ৰমাকান্তৰ "সীতাহৰণ" অৰশ্যে নিয়মিত নাটকৰ আৰম্ভণ। ইয়াৰ পাছত নগাঁৱৰ ৰুদ্ৰৰাম বৰদলৈৰ "বঙাল-বঙালনী" আৰু দেৱনাথ বৰদলৈৰ "হেমপ্ৰভা", বস্তুধৰ-ৰমাকান্ত-গুঞ্জানন-ঘনশ্যামৰ সম্মিলিত চেষ্টা "ভ্ৰমৰঙ্গ", ডিব্ৰুগড়ৰ পূৰ্ণকান্ত শৰ্মাৰ (১৮৯৩ত) "হৰ-ধনু-ভঙ্গ" আৰু "হৰিশ্চন্দ্ৰ", টিয়কৰ হৰেশ্বৰ শৰ্ম্মা বৰুৱাৰ "শকুন্তলা" আদি নাটক ওলায়। বিভিন্ন ভাগত আগতে উল্লেখ কৰা অৱস্থাতে, এইসকলৰ বাহিৰেও আন কেবাজনেও এই অসমীয়া নাটৰ বিশেষ উৎকৰ্ষ সাধে।

দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা (১৮৭০-১৯২০) শিৱসাগৰ নগৰৰ ওচৰৰ শুকান-পুখুৰীত জন্মে। ১৮৯৫ত এওঁৰ "উজুকবিতা", ১৮৯৯ত "ফুল" আৰু "লৰা-কবিতা" ওলায়। এই সময়তে এওঁ একেবাহে "গুৰু-দক্ষিণা" আৰু "বৃষকেতু" পৌৰাণিক নাটক, আৰু "নিগ্ৰো" আৰু "মহৰি" ধেমেলীয়া কথাৰ নাটক উলিয়ায়। আগৰ দুখনত পৌৰাণিক কাহিনী আৰু পিছৰ দুখনত সামাজিক চিত্ৰ আৰু চৰিত্ৰ-অঙ্কন যি নিপুণতাৰে কৰা হৈছে, তালৈ চাই মজিন্দাৰ বৰুৱাৰ সাহিত্য-প্ৰতিভা সমূলি উলাই কৰিব পৰা কথা নহয়। এই আটাইকেখন নাটকৰ ভিতৰত, ইংৰাজ-চাহবাবীৰ অসমীয়া মহৰিৰ চিত্ৰ এই আঢ়েকুৰি বছৰৰ ওপৰ কাল আটাইৰে আদৰণীয় হৈ আছে।

বেণুধৰ ৰাজখোৱা (১৮৭২-১৯৫৫) ১১ ডিচেম্বৰত ডিব্ৰুগড় মহকুমাৰ দিহিং নৈৰ পাৰত পিতাক সুচান্দৰাম মৌজাদাৰৰ খোৱাং মৌজাত জন্মে, আৰু ২২ জুনত ডিব্ৰুগড় নগৰৰ নিজ ঘৰত ঢুকায়। অম্বপুৰত মগুলীয়া ইংৰাজী পঢ়া সাং কৰি এওঁ ডিব্ৰুগড়ৰ ওখ ইংৰাজী পঢ়াশালিৰ পৰা ১৮৮৯ত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পাছত তেওঁ কলিকতাৰ প্ৰেছিডেন্সী কলেজত এফ্-এ শ্ৰেণীত নাম লগায়; কিন্তু ঘৰুৱা কাৰণত তেওঁ ১৮৯২ত ছিটী কলেজৰ পৰা এফ-এ আৰু ১৮৯৬তহে বি-এ মহলাত উঠে। তাৰ পাছত কলিকতাতে তেওঁ এম্ এ আৰু বি-এল্ পঢ়িবলৈ ধৰে; কিন্তু ১৮৯৯ত মাটি-হাকিম পদ পাই তাত ভৰ্ত্তি হয়। এই পদৰ পৰাই তেওঁ মুন্সেফ কামলৈ উঠি আৰু শেষত শিৱসাগৰ জিলাৰ অস্থায়ী ডেপুটী কমিশ্যনাৰ পদবীলৈ উন্নীত হৈ ১৯৩১ত ৰজাঘৰীয়া বিষয়-বাবৰ পৰা আজৰি হয়। অতি কোমল বয়সৰ পৰাই ৰাজ-খোৱাই সাহিত্য-চৰ্চ্চা কৰে, আৰু প্ৰথম বছৰৰ "জোনাকী"ত পঢ়াশলীয়া "ছাত্ৰ-

ৰচনা" ৰূপে তেওঁৰ প্ৰবন্ধ প্ৰকাশিত হয়। ১৮৮৯ত নীতিপাঠ, ১৮৯৫ত সাহিত্য-প্ৰবেশ, লৰা-পুথি আদি এওঁ উলিয়ায়; ১৮২১ত এওঁৰ সম্পাদিত অসমীয়া আদিকাণ্ড ৰামায়ণ গণেশৰাম আগৰৱালাৰ দ্বাৰা প্ৰকাশিত হয়। আকৌ ১৮৯৪ত এওঁৰ চন্দ্ৰসম্ভৱ কাব্য, ১৮৯৫ত পঞ্চকবিতা, ১৮৯৭ত দশগীত আৰু সৰু লৰাৰ গান, ১৯০১ত অসমীয়া ভাই, ১৯০৬ত বাঁহী আদি কবিতা আৰু গানৰ পুথি ওলায়। ইয়াৰ বাহিৰেও এওঁ ইংৰাজীত ভালেমান পুথি লিখে। ১৯২৯-৩০ত এওঁৰ দেহাৰ প্ৰলয়, জীৱন-সন্ধিয়া, সিপুৰীৰ বাতৰি আদি পদ-পুথি ওলায়। গীতৰ দৰে বৰ্ত্তমান নাট-ৰচনাতো এওঁ অগ্ৰণী আছিল। এওঁৰ ১৮৮৯ত ডেকা-গাভৰু, ১৮৯৪ত সেউতী-কিৰণ, ১৯০৩ত দুৰ্য্যোধনৰ উৰুভঙ্গ, ১৯০৮ত দক্ষ-যজ্ঞ আদি সামাজিক আৰু পৌৰাণিক নাটক ওলায়। ১৯১১-১২ত এওঁ কলিযুগ, দৰবাৰ, কুৰি-শতিকাৰ সভ্যতা আদি, আৰু চতুৰ্থ দশকত 'তিনি ঘৈণী', 'অশিক্ষিতা ঘৈণী', 'চোৰৰ সৃষ্টি', 'যমপুৰী', আদি নাটক লিখে। "লখিমী-তিৰোতা" আদি পুথিৰ উপৰিও এওঁৰ "খণ্ডবাক্যকোষ" অসমীয়া ভাষাৰ এটি কীৰ্ত্তিস্তম্ভ।

চন্দ্ৰধৰ বৰুৱা (১৮৭৪—১৯৬১) যোৰহাটৰ এজন চাহখেতিয়ক; ১৯০৪ত প্ৰকাশিত এওঁৰ "মেঘনাদ বধ" অমিত্ৰাক্ষৰ ছন্দৰ নাটক আৰু ১৯১৫ত প্ৰকাশিত "ভাগ্যপৰীক্ষা" সামাজিক নাটক, আৰু পাছৰ "ৰঞ্জন" নামৰ কবিতা পুথি আৰু অমিত্ৰাক্ষৰী নাটক তিলোত্তমা-সম্ভৱ লেখৰ। **দুৰ্গেশ্বৰ শৰ্মাও** (১৮৮৫—১৯৬২) যোৰহাটৰ, এওঁৰ "অঞ্জলি" আৰু "নিবেদন" পদ-পুথিৰ উপৰিও পাৰ্থপৰাজয়, বালিবধ, চন্দ্ৰাৱলী, অমিত্ৰাক্ষৰী নাট উল্লেখযোগ্য। ইয়াৰ বাহিৰে মিত্ৰদেৱ মহন্ত, দৈৱচন্দ্ৰ তালুকদাৰ, অতুলচন্দ্ৰ হাজৰিকা আদি নাট্যকাৰৰূপে নামজলা। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১৯২৫ত প্ৰকাশিত "শোণিত কুঁৱৰী" আৰু কীৰ্ত্তিনাথ বৰদলৈৰ ১৯২৯-৩০ত প্ৰকাশিত "বাসন্তীৰ অভিষেক" আৰু "লুইত কোঁৱৰে" অসমীয়া সঙ্গীত আৰু নাটকৰ এটি যুগান্তৰ আনে বুলিব পাৰি। কিন্তু মুঠতে কব লাগিব, বৰ্ত্তমান অসমীয়া সাহিত্যৰ অন্যান্য বিভাগৰ দৰেই বৰ্ত্তমান নাটকো সমাজ-বিমুখ আৰু সমস্যা-নিৰপেক্ষ হৈয়ে আছে।

আলোচনী, অনুষ্ঠান আৰু লেখিকাসকল

উপন্যাস চুটি-সাধু আদিৰ দৰে আলোচনী-কাকতো ভাৰতীয় তথা অসমীয়া সাহিত্যলৈ বিদেশী আমদানি আৰু বিশিষ্ট অৱদান। "পিকিন্ গেজেট"কে

পৃথিবীৰ সৰ্বপ্ৰথম বাতৰি আলোচনী বোলা হয়; যদিও যুগে যুগে তাৰ নানা বিৱৰ্ত্তন ঘটি আহিছে। অসমীয়া আলোচনী বঙালী এনে কাকতকৈ প্ৰায় দেড়কুৰি বছৰৰ পিছ, অৱশ্যে দুই ঠাইৰ দুইখন আলোচনী দুই পাত্ৰী অনুষ্ঠানৰে দান। আন দেশৰ তুলনাত অসমৰ জনসংখ্যাৰ দৰেই অসমীয়া বাতৰি-আলোচনীবো জন্ম-মৃত্যু উভয়েই বৰ ঘন; তাৰ গুৰিত অৱশ্যে ধান-খেৰৰ জুইৰ নিচিনা অসমীয়াৰ উদ্যমৰ পটন্তৰ। বাতৰি-আলোচনীৰ মূল লক্ষ্য জাতিক আৰু জন-গণক সত্য আৰু উন্নতিৰ বাটত আগবঢ়াই নিয়া; বৰ্ত্তমান অৱশ্যে বহুত বাতৰি-কাকতেই এই আদৰ্শৰ পৰা খহি পৰিছে, আৰু সমূহীয়া স্বাৰ্থৰ পৰিবৰ্ত্তে দলগত কিম্বা ব্যক্তিগত প্ৰচাৰৰ বাহন ৰূপে অপ-ব্যৱহৃত হবলৈ ধৰিছে। সি যি হওক, বৰ্ত্তমান অসমীয়া সাহিত্যৰ ক্ৰমবিকাশত এই আলোচনী কাকতসমূহে যথেষ্ট বৰঙণি যোগালে, আৰু তাৰ ভিতৰত "অৰুনোদই" সচাকৈয়ে বৰ্ত্তমান অসমীয়া সাহিত্যৰ অৰুণ-উদয়স্বৰূপ হৈছিল সন্দেহ নাই। "অৰুনোদই" মাহেকীয়া আলোচনী ১৮৪৬ৰ জানুৱাৰীত প্ৰথমে ওলাই ১৮৮২ মানলৈকে চলে আৰু এই বছৰতে শিৱসাগৰ মিছন প্ৰেছ বেচা হয়। "আসাম বিলাসিনী" ১৮৭১ত আউনিআটি সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীৰ যত্নত মাজুলিৰ ধৰ্মপ্ৰকাশ যন্ত্ৰৰ পৰা মাহেকীয়াকৈ ওলাই ১৮৮৩ মানৰ পৰা ওলাবলৈ এৰে; ইয়াক ১৯১৩ মানত যোৰহাটৰ পৰা আকৌ উলিওৱা হৈছিল, কিন্তু সৰহ কাল নিটিকিল। ১৮৭২ত "আসাম মিহিৰ" চিদানন্দ দাসৰ সম্পাদিত হৈ গুৱাহাটীৰ চিদানন্দ প্ৰেছৰ পৰা ওলোৱা প্ৰথম সাদিনীয়া বাতৰি-কাকত; ১৮৭৩ত ই ওলাবলৈ এৰে। "আসাম দৰ্পণ" ১৮৭৪-৭৫ত তেজপুৰৰ বিশ্বনাথৰ পৰা লক্ষ্মীকান্ত বৰকাকতীৰ সম্পাদিত হৈ মাহেকীয়া ৰূপে ওলাই অলপ দিনহে চলে। ১৮৭৫-৭৬ত বিজ্ঞান সাহিত্য আৰু ধৰ্ম সম্পৰ্কীয় দুখন কাকত কলিকতাত ছপা হৈ নগাঁৱৰ পৰা ওলাই অলপ দিনহে চলে। "গোৱালপাড়া হিতসাধিনী" সাদিনীয়া কাকতো ১৮৭৬-৭৮ত অলপ দিন চলে; নগাঁৱৰ দিহিঙীয়া গোসাঁয়ে ধৰ্মৰ বিষয়ে "চন্দ্ৰোদয়" মাহেকীয়া কাকত ১৮৭৬ত অলপ দিন চলায়, আৰু ১৮৭৬ত গুৱাহাটী চিদানন্দ প্ৰেছৰ পৰা "আসাম-দীপক" মাহেকীয়া কাকত ওলাই এবছৰমান চলে।

"আসাম নিউচ" ইঙ্গ-অসমীয়া সাদিনীয়া কাকতৰূপে প্ৰাতঃস্মৰণীয় হেমচন্দ্ৰ বৰুৱা সম্পাদিত আৰু ফুকন-বৰুৱা ব্ৰাদাৰ্ছৰ দ্বাৰা গুৱাহাটীৰ পৰা প্ৰকাশিত

হয়; সেই কালতে ন শ মান গ্ৰাহক পোৱা সত্ত্বেও ১৮৮৫ৰ জুলাইৰ পৰা এই কাকত ওলাবলৈ এৰে। "আসাম-বন্ধু" ১৮৮৫ত কলিকতাৰ পৰা স্বনামধন্য গুণাভিৰাম বৰুৱাৰ সম্পাদিত হৈ ওলায় আৰু ১৮৮৬ত ওলাবলৈ এৰে। "মৌ" কলিকতাৰ ১০০ নং বহুবজাৰ ষ্ট্ৰীটৰ পৰা দুজন বৰা-ভাই বলিনাৰায়ণ আৰু হৰিনাৰায়ণৰ যত্নত ১৮৮৬ত ওলাই সেই বছৰতে লুকায়; ১৮৮৬ত আউনিআটি সত্ৰৰ শ্ৰীধৰ বৰুৱাৰ সম্পাদিত "আসাম-তৰা" ওলাই ১৮৯০ৰ সেপ্তেম্বৰত লুপ্ত হয়। গুণাভিৰামৰ বৰ পুতেক ষোল বছৰ বয়সীয়া কৰুণাভিৰাম বৰুৱাই প্ৰথম অসমীয়া শিশুপাঠ্য আলোচনী "লৰা-বন্ধু" ১৮৮৩ ত উলিয়ায়, আৰু দুসংখ্যাৰ পাছতে ই লুপ্ত হয়। ১৮৮৯ৰ ৯ ফেব্ৰুৱাৰীত চন্দ্ৰকুমাৰ আগৰৱালাই "জোনাকী" আলোচনী মাহেকীয়াকৈ উলিয়ায় আৰু দ্বিতীয়-তৃতীয় বছৰত যথাক্ৰমে হেম গোস্বামী আৰু বেজবৰুৱা ইয়াৰ সম্পাদক হয়; এইসকল দিহাদিহি অহাত কলিকতাৰ পৰা ই ওলাবলৈ এৰাত আকৌ ১৯০১ ত ইয়াৰ দ্বিতীয় ছোৱা সত্যনাথ বৰা আৰু কনকলাল বৰুৱাই গুৱাহাটীৰ পৰা কেইবছৰমান চলোৱাৰ পাছত ই একেবাৰে লুপ্ত হয়। ১৮৯০ৰ শেষ ভাগত কৃষ্ণপ্ৰসাদ দুৱৰা, পদ্মনাথ বৰুৱা আৰু বেণুধৰ ৰাজখোৱাৰ সম্পাদকত্বত কলিকতা-প্ৰবাসুৱা অসমীয়া ছাত্ৰৰ এটি দলৰ পৰা প্ৰায় "জোনাকী"ৰ প্ৰতিদ্বন্দ্বী ৰূপে এই কাকত তিনি বছৰমান চলি লুপ্ত হব খোজে; ১৯০২ত শিলঙৰ পৰা লক্ষ্মীনাথ শৰ্মাৰ সম্পাদকত্বত আকৌ ইয়াৰ কেইসংখ্যামান ওলাই ই একেবাৰে লুপ্ত হয়। ১৮৯৪ৰ সেপ্তেম্বৰত কালীৰাম বৰুৱাৰ সম্পাদিত ইঙ্গ-অসমীয়া সাদিনীয়া "আসাম-তৰা" প্ৰকাশিত হৈ অলপ দিন মাত্ৰ চলে। ১৮৮৫ৰ জানুৱাৰীত ডিব্ৰুগড়ৰ পৰা ৰাধানাথ চাংকাকতীৰ সম্পাদিত সাদিনীয়া ইংৰাজী বাতৰি-কাকত "টাইম্‌ছ্‌ অৱ্‌ আসাম" ওলাই ৬০ বছৰৰ সৰহ কাল চলি এতিয়া লুপ্ত হৈছে। কমলাকান্ত ভট্টাচাৰ্য্য আদিৰ যত্নত প্ৰতিষ্ঠাপিত তেজপুৰৰ আসাম ছেণ্ট্ৰেল প্ৰেছৰ পৰা "আসাম-বন্তি" ১৯০০ত ইঙ্গ-অসমীয়া সাদিনীয়া কাকত ৰূপে ওলায়; মথুৰামোহন বৰুৱা, জয়দেৱ শৰ্ম্মা আদি সম্পাদকৰ পাছত সেই প্ৰেছ আৰু কাকত পদ্মনাথ বৰুৱাৰ হাতলৈ আহি ১৯৩০ৰ আগলৈকে এই কাকত চলে। ডিব্ৰুগড়ৰ পৰা বশম্বদ মিত্ৰৰ সম্পাদিত "ইষ্টাৰ্ণ হেৰাল্ড্‌" ১৯০২ত আৰু কালিনাথ ৰায়ৰ সম্পাদিত "ছিটিজেন" ১৯০৪ত ইংৰাজী বাতৰি-কাকত ৰূপে ওলাই যথাক্ৰমে ১৯০৪ আৰু ১৯০৬ত

লুপ্ত হয়। গুৱাহাটী ভিক্টৰিয়া প্ৰেছৰ পৰা মথুৰামোহন বৰুৱা সম্পাদিত "এড্‌ভকেট্‌ অব্‌ আসাম" ইংৰাজী বাতৰি-কাকত ওলাই ১৯১২ত লুপ্ত হয়। ডিব্ৰুগড়ৰ পৰা ১৯০৫ত কৃষ্ণচন্দ্ৰ বৰুৱাৰ পৰিচালিত "আসাম ক্ৰনিকল্" অলপ দিনৰ বাবে আৰু বেপটিষ্ট্‌ মিছনৰ "দীপ্তি" ১৯০৭ লৈকে চলে; ১৯০৭ত তেজপুৰৰ পৰা পদ্মনাথ বৰুৱাৰ সম্পাদিত মাহেকীয়া আলোচনী "উষা" ওলাই কেইবাবছৰো চলে।

১৮৩১ শকৰ (১৯০৯ খৃঃ) আঘোণত লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদিত "বাঁহী" ১৯১৯ মানলৈকে কলিকতাৰ পৰা আৰু তাৰ পাছত ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা ওলায়; এই শতিকাৰ চতুৰ্থ দশকৰ পৰা সম্পাদক সলনি হৈ পঞ্চম দশকলৈ ই ওলাই থাকে। ১৯১০ৰ কাতিত ডিব্ৰুগড়ৰ পৰা পোনতে প্ৰসন্নকুমাৰ বৰুৱা, পাছত দুৰ্গানাথ চাংকাকতী, নীলমণি ফুকন আদিৰ সম্পাদিত হৈ "আলোচনী" ওলাই ১৯১৭ৰ পাছত লোপ পায়; এই একে বছৰৰ একে মাহতে তেজপুৰ বান্ধৱ-সমিতিৰ পৰা তাৰানাথ চক্ৰৱৰ্ত্তীৰ সম্পাদিত "আসাম-বান্ধৱ" ওলাই ১৯১৬ লৈকে চলে। ১৯১১ত উত্তৰ লখীমপুৰৰ পৰা নীলকণ্ঠ বৰুৱা সম্পাদিত "কবিতা-লতা" আৰু ঢাকাৰ পৰা কালিৰাম দাসৰ সম্পাদিত "বিশ্ববাৰ্ত্তা"; ১৯১২ত নগাঁৱৰ পৰা কৃষ্ণচন্দ্ৰ বৰুৱা সম্পাদিত "আসাম হেৰাল্ড" আৰু ডিব্ৰু-গড়ৰ পৰা ভোলানাথ গোহাঁই সম্পাদিত মাহেকীয়া "আসাম বান্তি", আৰু ১৯১৪ত "ৰণৰ বাঁতৰি" ওলায়। ১৯১৬ৰ জানুৱাৰীত কলিকতাৰ পৰা সৰবৰহী শিশুপাঠ্য মাহেকীয়া "অৰুণ", ১৯১৮ত ডিব্ৰুগড়ৰ পৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিষ্ঠিত সাদিনীয়া "অসমীয়া", তাৰ পাছত যোৰহাট প্ৰশিক্ষণ বিদ্যালয়ৰ আলোচনী "প্ৰভাত", ১৯১৯ত গুৱাহাটীৰ "ইচলামি আখবৰ" প্ৰকাশিত হয়। ১৯১৯ত গুৱাহাটীৰ পৰা অম্বিকাচৰণ ৰায় চৌধুৰী সম্পাদিত মাহেকীয়া "চেতনা", ১৯২০ত ৰজনীকান্ত বৰদলৈৰ সম্পাদিত মাহেকীয়া "অসম-প্ৰদীপিকা", ১৯২১ত নাৰায়ণচন্দ্ৰ বৰুৱাৰ সম্পাদিত "আসাম ক্লৱ", ১৯২২ত দৈৱচন্দ্ৰ তালুকদাৰ, শুকদেৱ গোস্বামী আৰু ডিম্বেশ্বৰ নেওগ সম্পাদিত অসম ছাত্ৰ সম্মিলনৰ প্ৰথম মুখপাত তিনিমহীয়া "জন্মভূমি", আৰু সিংহদত্ত গোস্বামী আৰু পদ্মধৰ চলিহাৰ সম্পাদিত পষেকীয়া "অৰ্ঘ্য", ১৯২৩ৰ পৰা যথাক্ৰমে গৰ্গ-নাৰায়ণ চৌধুৰী, ডিম্বেশ্বৰ নেওগ, বিনন্দচন্দ্ৰ বৰুৱা, অতুলচন্দ্ৰ হাজৰিকা আদি সম্পাদিত অসম ছাত্ৰ সম্মিলনৰ দ্বিতীয় মুখপাত তিনিমহীয়া "মিলন", ১৯২৩ ৰঘুনাথ

চৌধাৰীৰ সম্পাদিত শিশুপাঠ্য মাহেকীয়া আৰু ধুবুৰীৰ বড়ো সম্প্ৰদায়ৰ মুখপাত "বিবাৰ", ১৯২৪ত মহম্মদ ছালেহ সম্পাদিত অসম মুছলমান ছাত্ৰ সম্মিলনৰ মুখপাত "সাধনা", নিগমানন্দ স্বামী সম্পাদিত "আৰ্য্যদৰ্পণ" আৰু তপেশচন্দ্ৰ বাগচীৰ প্ৰকাশিত "জাগৰণ", ১৯২৫ত কমলাকান্ত ভট্টাচাৰ্য্য, দুৰ্গাধৰ বৰ-কটকী আদি সম্পাদিত কলিকতাৰ ভুদেৱ প্ৰকাশক মন্দিৰৰ পৰা ওলোৱা "আসাম হিতৈষী", নাৰায়ণচন্দ্ৰ বৰুৱাৰ সম্পাদিত "খেতিয়ক", আৰু যথাক্ৰমে চন্দ্ৰধৰ বৰুৱা, দেৱানন্দ ভৰালী, ডিম্বেশ্বৰ নেওগ আদিৰ সম্পাদিত "অসম সাহিত্য সভা পত্ৰিকা", ১৯২৬ত মহাদেৱ শৰ্মাৰ সম্পাদিত শিশুপাঠ্য মাহেকীয়া "অৰুণ", কীৰ্ত্তিনাথ খাখলাৰীৰ কছাৰী সমাজৰ মুখপাত "প্ৰভাতী", ছাদিৰ হুছেনৰ সম্পাদিত "জননী", মহেন্দ্ৰনাথ ভট্টাচাৰ্য্যৰ "কাৰবাৰ আৰু কাৰবাৰী", কনকচন্দ্ৰ শৰ্মাৰ "পশুপালন", যোৰহাট ৰাজ্যপালন বিদ্যালয়ৰ "জেউতি", শুক্লেশ্বৰ বৰাৰ সম্পাদিত কৈৱৰ্ত্ত সমাজৰ মুখপাত "সেৱা", তোষেশ্বৰ ঢেকিয়ালৰ পষেকীয়া "সত্যবাদী" ওলায়। ১৯২৭ত তৰুণচন্দ্ৰ ভট্টাচাৰ্য্যৰ সম্পাদিত "ইণ্টাৰ-নেশ্যনেল টাইম্‌ছ্‌", গৌৰীনাথ শাস্ত্ৰীৰ "প্ৰান্তবাসী", ১৯২৮ত তীৰ্থনাথ গোস্বামীৰ "সত্তপ্ৰদীপ", ছোলাইমান খাৰ "প্ৰচাৰক", কমলালয়া কাকতী আৰু কনকলতা চলিহাৰ সম্পাদিত তিকতা সমাজৰ মুখপাত "ঘৰ-জেউতি", 'কটন কলেজিয়েট স্কুল্‌ মেগেজিন'; ১৯২৯ত বিপিনচন্দ্ৰ বৰুৱাৰ গল্পছিবিজ্‌, যথাক্ৰমে শিৱপ্ৰসাদ বৰুৱা আৰু নীলমণি ফুকনৰ সম্পাদিত সাদিনীয়া "বাতৰি", আৰু মেচপাৰা জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ পৃষ্ঠপোষকতাত দীননাথ শৰ্মাৰ সম্পাদিত "আৱাহন" ওলায়। ১৯৩০ৰ পাছতো এইদৰে বহুত কাকত প্ৰকাশিত হৈছে।

আনুষ্ঠানিক চেষ্টাৰ ভিতৰত আমেৰিকাৰ বেপটিষ্ট মিছন্‌ সমাজৰ চেষ্টাই সৰ্ব্বাবো শিৰত। তেওঁলোকৰ আবেদন-নিবেদন আৰু ওজৰ আপত্তিৰ মূৰত সকলো বিষয়ৰ অনুসন্ধান কৰিবলৈ ১৮৫৩ত মটাফট্‌ মিলছ্‌ক পঠায়, আৰু এওঁ মিছনেৰীৰ বাহিৰেও ঢেকিয়াল ফুকন আদিৰ মতামত বিবেচনা কৰি অসমীয়া পুনৰ স্কুল-আদালতৰ ভাষা হব লাগে বুলি এওঁৰ প্ৰতিবেদনত স্পষ্ট লিখে। তথাপি বঙলা ভাষাৰ যোলা কণীৰ ওপৰতো কুৰি বছৰ তেতিয়াৰ বঙ্গীয় চৰ্কাৰে উমনি দিয়াৰ পাছতহে, মহানুভৱ হুৰলীয়া লাট ছাৰ জৰ্জ কেম্বেলে ১৮৭৩ৰ ১৯ এপ্ৰিলত অসমীয়া ভাষাক পুনৰ নিজ আসনত অভিষিক্ত কৰিলে। কিন্তু বিধতাই দিলেও তিকতাই নিদিয়াৰ দৰে আৰু জৰে এৰিলেও

কৰ্ণ টীয়ে লেখাৰ নিচিনাকৈ অপহৃতা-অসুখা ভগতীয়াবোৰে আৰু ভালেমান বছৰ আপদ চোচৰাই আছিল। কিন্তু ৰমেশচন্দ্ৰ দত্ত আদি সুপণ্ডিতৰ মত আৰু উচ্চ আদালতৰ আদেশ অনুযায়ী অসমীয়া ভাষাৰ অপায়-অমঙ্গল আঁতৰিল। ছাৰ জৰ্জ কেম্বেলৰ আদেশ মতে অসমীয়া পুথিৰ ৰচনাৰ বাবে দিওৱা বঁটা, আৰু কটন, আৰ্ল, গৰ্ডন আদিৰ পৃষ্ঠপোষকতা আদিৰ বাহিৰেও দেশীয় ভালেমান অনুষ্ঠানে অসমীয়া ভাষাৰ উন্নতিৰ হকে যৰি-পৰি লাগিছিল। ১৮৫৮ ৰ ১৩ শ বছৰৰ "অৰুনোদই"ত প্ৰকাশিত পূৰ্ণানন্দ শৰ্মাৰ জাননী আৰু ইয়াৰ প্ৰথম সংখ্যাত ওলোৱা "আচাম দেশ-হিতৈসিনি সভাৰ সাৰ সংগ্ৰহ" প্ৰবন্ধৰ পৰা ১৭৭৭ শকৰ ২৪ আঘোণত শিৱসাগৰত প্ৰিয়লাল বৰুৱাই এই সভা পাতে বুলি বুজিব পাৰি। আকৌ ১৮৮৮ ৰ ২৫ আগষ্টত কলিকতাৰ ৩৭নং মিৰ্জাপুৰ ষ্ট্ৰীটত কলিকতা-প্ৰবাসুৱা অসমীয়া ছাত্ৰৰ বহাত বহা অসমীয়া ভাষাৰ উন্নতি-সাধিনী সভাৰ প্ৰথম অধিবেশনৰ ঘোষণাৰ পৰা তাৰ উদ্দেশ্য আদি সুন্দৰকৈ বুজিব পাৰি; ১৮৯০ ত এই সভাৰ পৰা অসমীয়া ভাষাৰ এখনি সুন্দৰ তালিকা প্ৰকাশিত হয়। যোৱা শতিকাৰ এই শেষ দশকতে কলিকতাত আকৌ অসমীয়া ছাত্ৰৰ সাহিত্য সভা বুলি এটি নতুন অনুষ্ঠান পতা হয়; আৰু ইয়াৰ শাখা ১৯০১ত গুৱাহাটীত, আৰু তাৰ পাছত ঢাকা, কাশী আদি ঠাইত আৰম্ভ কৰে। "বঙ্গৰ জাত আৰু কৈদ-বোৰ"ৰ বিষয়ে সুপণ্ডিত বিছ্‌লিয়ে কৰা অনুসন্ধানৰ সহানুভূতিমূলক অনুষ্ঠান ৰূপে এড্‌ৱাৰ্ড গেইটৰ প্ৰস্তাৱ আৰু ৰিলিময় বাৰ্ডৰ সম্মতি মতে ১৮৯৪ৰ ২ জুলাইত অসম এথ্‌নগ্ৰাফী (অসমৰ জাতিতত্ব) বিভাগ পতাৰ জাননী দিয়া হয়; আৰু ১৮ জুলাইৰ অসমৰ চীফ্‌ কমিচনৰ লায়েলে অসমৰ পুৰণি বুৰঞ্জী আৰু ধৰ্মপুথিবোৰ গোটাবৰ আৰু তাৰ বাবে অৰ্থ সাহায্য দিবৰ প্ৰস্তাৱ কৰে। ততালিকে গেইটে সেইমতে এখন আঁচনি কৰি দিয়াত ১৮৯৪-৯৫ ৰ শেষ হোৱাৰ খৰচৰ বাবেই ৫০০৲ টকা আৰু তাৰ পাছৰ তিনি বছৰৰ বাবে বছৰি ১০০০৲ টকাকৈ মনোনীত কৰে। ইয়াৰ প্ৰথম ফল ৰূপে ১৮৯৭ ৰ ২৩ জানুৱাৰীত গেইটে "অসমত বুৰঞ্জীমূলক অনুসন্ধানৰ উন্নতিৰ জাননী" বুলি যি আঁচনি দিয়ে সেই বছৰতে সি প্ৰকাশিত হয়; নকলেও হব ১৯০৫ত প্ৰথম প্ৰকাশিত গেইটৰ অসম বুৰঞ্জীৰ সঁজুলি এই দৰেই গোটোৱা হৈছিল। এই বিভাগত গেইটৰ পৰবৰ্ত্তী ৰূপে কৰ্ণেল গৰ্ডনৰ ১৯০০ ত "হেমকোষ"ৰ সম্পাদন

আৰু প্ৰকাশ, অসমীয়া পটন্তৰৰ সংগ্ৰহ আৰু প্ৰকাশ, আৰু অসমীয়া মোহৰ, মৰাণ, খামটি আৰু আহোম বিষয়ক অনুসন্ধান এই সময়ৰ ঘাই কাম। ১৯০৪ত চীফ কমিশ্যনাৰ বেম্‌ফিল্ড্ ফুলাৰে এই বিভাগৰ যত্নত অসমৰ পৰ্বতীয়া জাতিৰ বিষয়ে নানা বিৱৰণ প্ৰকাশ কৰিবলৈ ধৰে; আৰু কেইবছৰমানৰ ভিতৰতে মিকিৰ, কছাৰী, লুছাই, কুকি, মেথি, খাছিয়া আদি নানা জাতিৰ বিৱৰণ ওলাল। ১৯১২-১৩ত হেম গোস্বামীয়ে এই বিভাগৰ যত্নতে অনুসন্ধানৰ কাম আৰম্ভ কৰে; ১৯২০ত গৰ্ডনে অসম এৰাত তেওঁৰ পৰবৰ্ত্তী ডক্টৰ হুট্টনে ছেমা, আঙ্গামি, লোঠা আৰু আও নগাবোৰৰ বিষয়ে অনুসন্ধান কৰি আধুনিক নৃ-তত্ত্বৰ বুৰঞ্জীত স্থায়ী যশ আৰ্জে।

দেশী-বিদেশী কেইবাজনো পণ্ডিতৰ উমৈহতীয়া চেষ্টাত ১৯১২ৰ ৭ এপ্ৰিলত কামৰূপ অনুসন্ধান সমিতি পতা হয়; আৰু জাতি-তত্ত্ব বিভাগে নৃ-তত্ত্বত আচুতীয়াকৈ লগাত তাৰ আন কামবিলাক এই বিভাগে হাতত লয়। ১৯১৬ৰ ২৬ দিশেম্বৰত অসম ছাত্ৰ সন্মিলন পতা হয়। নিজ মুখপাতৰ বাহিৰেও সন্মিলন গ্ৰন্থাৱলী, হেমচন্দ্ৰ সোঁৱৰণী গ্ৰন্থাৱলী আদি নামেৰে প্ৰথম দহ বছৰ মানত ইয়াৰ পৰা ভালেখিনি লাগতিয়াল গ্ৰন্থ প্ৰকাশিত হয়। ইয়াকে অনুসৰণ কৰি অসম মুছলমান ছাত্ৰ সন্মিলনো এই শতিকাৰ দ্বিতীয় দশকৰ আগভাগত স্থাপিত হয়। ১৯১৭ৰ দিশেম্বৰত অসম সাহিত্য সভা পোনতে পতা হয়, আৰু এই অনুষ্ঠানেও প্ৰথমতে যথেষ্ট উদ্যমেৰে কাম কৰি চন্দ্ৰকান্ত অভিধান প্ৰকাশ আদি বহুত লাগতিয়াল কাম সাধিছিল। অসমত বুৰঞ্জী আৰু পুৰাতত্ত্ব আলোচনাৰ সুবিধাৰ বাবে ১৯২৮ৰ জানুৱাৰীত শিক্ষাধিকাৰ কনিংহামে এই বিষয়ৰ এটি সুকীয়া বিভাগৰ দিহা কৰে; তেতিয়াৰে পৰা এই বিভাগে ভালেখিনি লাগতিয়াল কাম কৰি আহিছে।

গাৰ্গী মৈত্ৰেয়ী আদি পুৰণি ভাৰতৰ বেদ-বচয়িত্ৰীসকলৰ দৰে তামিল সাহিত্যৰ শ্ৰীঅণ্ডল আৰু উত্তৰ ভাৰতৰ মীৰাবাই আদিৰ নিচিনাকৈ বৰ্ত্তমান অসমীয়া সাহিত্যৰ লেখিকাসকলো অসমীয়াৰ গৌৰৱ স্বৰূপ; ইংৰাজী নৱন্যাসৰ দৰে অসমীয়া নৱন্যাসতো এওঁলোকৰ বৰঙণি এটি বিশিষ্ট সম্পদ। পদ্মাৱতী ফুকননী স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা; ১৭৭৪ শকৰ ১০ পুহত (৯ জানুৱাৰী, ১৮৫১) এওঁৰ জন্ম আৰু ১৮৪৯ শকৰ পুহত মৃত্যু। ১৮০৬ শকত এওঁৰ "সুধৰ্ম্মাৰ উপাখ্যান" নামৰ প্ৰথম অসমীয়া উপন্যাস আৰু তাৰ অলপ

পাছতে "হিতসাধিকা" নামৰ এখন পুথি প্ৰকাশিত হয়; ইয়াৰ বাহিৰেও এওঁ সাময়িক আলোচনীবোৰত গদ্য-পদ্য বহুত প্ৰবন্ধ লিখে। বিষ্ণুপ্ৰিয়া দেৱীয়ে ১৮৮৪ত "নীতিকথা" আৰু এওঁৰ কন্যা স্বৰ্ণলতা দেৱীয়ে "আহি-তিৰোতা" পুথি উলিয়ায়। ডিব্ৰুগড়ৰ শৰৎকুমাৰী দেৱী প্ৰবন্ধ-লেখিকা আৰু হেমপ্ৰভা দাস "জ্ঞানমালা" আৰু "সজ কথা"ৰ গ্ৰন্থকৰ্ত্ৰী। যমুনেশ্বৰী শইকীয়ানী, ধৰ্ম্মেশ্বৰী দেৱী, নলিনীবালা দেৱী আদি তিকতা কবি; আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী, স্নেহলতা ভট্টাচাৰ্য্য, আজলীতৰা নেওগ, ফাতেমা খাতুন আদি এই যুগৰ বিশিষ্ট গ্ৰন্থকৰ্ত্ৰী।

অসমীয়া কবিতাত ছন্দৰ ক্ৰমবিকাশ

ছন্দও সঙ্গীতৰ দৰে এট ধ্বনি-শিল্প; ধ্বনি-ৰূপ ধ্বনি-তত্ত্ব আদিয়েই তাৰ গুৰি কথা। ৰূপ-দক্ষ শিল্পীয়ে নিজ শিল্প-প্ৰতিভা আৰু ৰূপ-দৃষ্টিৰে এই ধ্বনি-প্ৰকৃতি নিৰীক্ষণ কৰি ছন্দ-ভাণ্ডাৰত ছন্দ-বৈভৱৰ বৃদ্ধি কৰে; আৰু ছন্দ-শক্তিৰ মৌলিক নীতি-সূত্ৰবোৰ, তাৰ অন্তৰ্প্ৰকৃতি-বহিৰ্গঠন সকলো আয়ত্ত কৰি ছন্দ-ৰাজ্যৰ সম্ভাব্যতাৰ পৰিসৰ বঢ়ায়, আৰু ছন্দৰ ঘেঁকাৰ, হিল্লোল, আৰু নৃত্য-লীলাৰে কৱিতাক তৰঙ্গিত আৰু মুখৰিত কৰে।

পুৰণি কিছুমান যোজনা-ফকৰা আৰু পটন্তৰ, ডাকৰ বচন, নৰা-ওমলা নাম আদি মৌখিক গীত-সাহিত্যত অসমীয়া ছন্দৰ প্ৰথম আভাস পোৱা হয়। স্বাভাৱিক উচ্চাৰণ-ৰীতি আৰু হেঁচা (এক্সেন্ট), এয়েই ইয়াৰ মূল তত্ত্ব; আখৰ-গণনা বা মাত্ৰা-পৰিমাণ নিৰ্ণয়ৰ কোনো চেষ্টা এই ছন্দৰ ভিতৰত নাই, প্ৰতি পৰ্ব্বৰ অখণ্ড ধ্বনিৰ (ছিলেবল্) লেখ থাকিলেই এই ছন্দ অক্ষুণ্ণ থাকে। এটা যুগ্ম আৰু অযুগ্ম স্বৰৰ অস্তিত্বই প্ৰত্যেক অখণ্ড ধ্বনিৰ মাই কথা। সেই বাবেই এই ছন্দৰ একোটি পৰ্ব্বৰ নাম স্বৰপৰ্ব্ব, আৰু স্বৰপৰ্ব্বৰ বিভিন্ন সমাবেশেৰে ৰচিত বুলি ইয়াৰ নাম স্বৰবৃত্ত ছন্দ।

অসমীয়া পুৰণি লিখিত বা বৈষ্ণৱ সাহিত্যৰ পদ বা পয়াৰ, ত্ৰিপদী, দুলড়ি, লেচাৰী, ছবি, ঝুমুৰি আদি সকলো ছন্দই আখৰ-গণনাৰ ওপৰত নিৰ্ভৰ কৰে বুলি তাৰ নাম অক্ষৰবৃত্ত ছন্দ। এই ছন্দ মূলতে আদিম ধ্বনিসংখ্যাক স্বৰবৃত্ত ছন্দৰ পৰা সুগঠিত আৰু নিয়ন্ত্ৰিত নে সংস্কৃতিৰ মাত্ৰিক ছন্দৰ পৰা ইয়াৰ উৎপত্তি হৈছে, ই আলোচনাৰ বিষয়; কিন্তু এই ছন্দই ইয়াৰ বৰ্ত্তমান সৌষ্ঠৱ আৰু

সুসঙ্গতি লাভ কৰিবলৈ যে অনেক শতাব্দী লাগিছিল পুৰণি লিখিত সাহিত্যত অনেক ঠাইত তাৰ প্ৰমাণ পোৱা হয়। অক্ষৰ বৃত্তৰ পৰ্ব্বগঠন ৰীতি যতিস্থাপন-বিধি আদি তাত বহুত সময়ত অনিয়মিত, আৰু আখৰৰ সংখ্যা অনিৰ্দ্দিষ্ট; কেতিয়াবা সংস্কৃতৰ দৰে মাত্ৰিক কেতিয়াবা মৌখিক ছন্দৰ দৰে স্বৰসংখ্যক। এনে শিথিল আৰু অনিশ্চিত অৱস্থাৰ পৰা থিৰ আৰু সুনিশ্চিত অৱস্থালৈ আহিবলৈ পুৰণি কবিসকলৰ যে বহুত অক্লান্ত পৰিশ্ৰম, পৰীক্ষা আৰু প্ৰয়াসৰ আৱশ্যক হৈছিল তাক সহজে ধৰিব পাৰি।

ধ্বনিৰ মাত্ৰা-পৰিমাণ নিৰ্ণয়েৰে ছন্দ-গঠন ৰীতিৰ নাম মাত্ৰাবৃত্ত ছন্দ; সংস্কৃত আৰু ইংৰাজী ছন্দৰ এই পদ্ধতি। অসমীয়া বঙলা আদি ভাষাত সংস্কৃতৰ এই ছন্দ-পদ্ধতিৰ অনুসৰণ সহজ নহয়; কিয়নো এইবোৰ ভাষাত দীৰ্ঘধ্বনি নোহোৱাত শুদা হ্ৰস্ব স্বৰৰ ব্যৱহাৰত ছন্দ বৈচিত্ৰ্যহীন আৰু একুৰীয়া হৈ পৰাৰ আশঙ্কা স্বাভাৱিক। কিন্তু এইবোৰ ভাষাতো যুক্তবৰ্ণৰ প্ৰচলন আছে, আৰু সি যুগ্মধনিৰ লিখিত আকাৰৰ বাহিৰে একো নহয়; স্বভাৱতে গুৰুমাত্ৰিক আৰু তৰঙ্গায়িত এই যুগ্মধ্বনিকে দীৰ্ঘধ্বনিৰ সলনি ব্যৱহাৰ কৰি এইবোৰ ভাষাতো ৰূপতত্ত্বদ্ৰষ্টা ৰূপস্ৰষ্টাই অযুগ্মধ্বনিক এক মাত্ৰা আৰু যুগ্মধ্বনিক দুই মাত্ৰা ধৰি মাত্ৰিক পৰ্ব্ব প্ৰবৰ্ত্তন কৰিব পাৰে। এই মাত্ৰা-পৰ্ব্বৰ বহুল বিচিত্ৰ সমাবেশতেই মাত্ৰাবৃত্ত ছন্দৰ সৃষ্টি; ধ্বনি-পৰিমাণ তত্ত্বই ইয়াৰ মূল, আৰু সুৰ-প্ৰাধান্যই ইয়াৰ বৈশিষ্ট্য। বঙলা সাহিত্যত এই ছন্দৰ দানৰ বাবে ৰবীন্দ্ৰনাথ বিশেষ সুপ্ৰসিদ্ধ। যুগ্ম-ধ্বনিক বিচিত্ৰ আৰু তৰঙ্গায়িত কৰি প্ৰয়োজন মতে যুগ্ম-ধ্বনিৰ বজ্ৰ-কৰতালি বজাই সুৰ-সঞ্চাৰেৰে গীতি-কবিতাৰ উপযোগী সুৰ-মাধুৰ্য্য সৃষ্টি কৰাত ৰবীন্দ্ৰনাথৰ সহজাত ৰূপ-নৈপুণ্য অতুলন। বৰ্ত্তমান অসমীয়া সাহিত্যত এই ছন্দৰ প্ৰচলন মাজে-সময়ে দেখা পোৱা হয়।

আখৰ-সমাবেশ বিধি বা আখৰ-গণনাৰে হোৱা বাবে অক্ষৰবৃত্ত ছন্দৰ এই নাম সচা; পিছে ধ্বনি-বিচাৰ-বৰ্জ্জিত আখৰ-সংখ্যা কোনো ছন্দৰে মৌলিক নীতি হব নোৱাৰে। অক্ষৰবৃত্ত ছন্দৰ প্ৰত্যেক শব্দৰ শেষ অংশৰ প্ৰকৃতি মাত্ৰিক, আৰু বাকী অংশৰ প্ৰকৃতি স্বৰ-সংখ্যক; গতিকে এই ছন্দক মাত্ৰাবৃত্ত আৰু স্বৰবৃত্তৰ যৌগিক বা মিশ্ৰ ছন্দও বুলিব পাৰি। ধ্বনিৰ একক নিৰ্ণয়ৰ এই তিনিটা ধাৰা; ছন্দৰ ধ্বনি-প্ৰবাহৰ দুটা যতিৰ মাজৰ অংশই ছন্দৰ পৰ্ব্ব (ফুট)। ছন্দৰ যতি-স্থাপনৰ বিভিন্ন পদ্ধতিৰ পৰা বিভিন্ন প্ৰকাৰ পৰ্ব্বৰ উৎপত্তি; এই

পৰ্ব্বগঠন পদ্ধতিৰ উদ্ভাৱন, পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন বা সুসঙ্গতিকৰণ আদি শ্ৰেষ্ঠ ছন্দ-শিল্পী-সকলৰ দান।

অক্ষৰবৃত্ত ছন্দ-গঠনৰ মূল উপাদান চাৰি আখৰৰ পৰ্ব্ব; এয়ে পূৰ্ণ পৰ্ব্ব। এনে আৰু এটি পূৰ্ণ পৰ্ব্ব লগ লাগি আঠ আখৰৰ এক গাম্ভীৰ্য্যপূৰ্ণ যুক্ত পৰ্ব্ব; বা আৰু দুই আখৰৰ অৰ্দ্ধ পৰ্ব্বৰ সংযোগত ছয় আখৰৰ এক সাৰ্দ্ধপৰ্ব্ব—এই পূৰ্ণ, যুক্ত আৰু সাৰ্দ্ধ পৰ্ব্বৰ তিনটি উপাদানেৰেই সদৌ অক্ষৰবৃত্ত ছন্দ ৰচিত। কিন্তু পৰ্ব্ব-গঠন, যতিস্থাপন আদিৰ বিধিত সুদক্ষ নহলে শ্ৰেষ্ঠ কৰি-শিল্পীৰো ছন্দৰ পতন ঘটে। অক্ষৰবৃত্তত অসম সংখ্যক আখৰত যতিস্থাপন সদায় প্ৰকৃতি-বিৰুদ্ধ। ৪+৪, ৩+৩+২ এয়ে অক্ষৰবৃত্তৰ আখৰ-সমাবেশৰ ৰীতি; ৩+২+৩, ২+৩+৩ এনে পৰ্য্যায়ৰ শব্দ-বিন্যাসত সঙ্গতি নষ্ট হয় আৰু শ্ৰুতিকটুতা দোষত ছন্দ দুষ্ট হয়। সাধাৰণ পদ বা পয়াৰৰ চৈধ্য আখৰৰ প্ৰথম আঠ আখৰৰ পিছত বিৰাম স্বাভাৱিক; কিন্তু এই আঠ আখৰত যদি শব্দটো শেষ নহয়, বা পিছৰ ছয় আখৰৰ শেষলৈ যুক্তবৰ্ণ তথা যুগ্মধ্বনি থাকে, তেতিয়াও ছন্দৰ লটিঘটি হয়। কিন্তু ছয় আখৰৰ পিছে পিছে দুবাৰ যতিস্থাপন কৰি শেষলৈ দুই আখৰ থলে তাত এক অভিনৱ ছন্দৰ উৎপত্তি হয়—"পোনতে যিদিনা, পিন্ধালা তোমাৰ, মালা। মনত পৰিল, কোনোবা ত্ৰিদিৱ, বালা।" (মালা, "ইন্দ্ৰধনু")

প্ৰতি পৰ্ব্বত ক্ৰমে চাৰি, পাঁচ, ছয়, সাত মাত্ৰা দিও বিভিন্ন মাত্ৰাবৃত্ত ছন্দ ৰচিত হয়। "প্ৰাণ বীণটী, বজাই কত, শুনালোঁ গান। জানো শুনিলা, সেই আশঙ্কাত, কঁপিল প্ৰাণ॥" (বিৰহমেলা, "মালতী")—ই এনে এটি ষণ্মাত্ৰিক মাত্ৰাবৃত্ত ছন্দ। স্বৰবৃত্ত ছন্দত চতুঃস্বৰপৰ্ব্ব অৱলম্বন সাধাৰণ; কিন্তু দ্বিস্বৰ আদিৰে এই ছন্দ-গঠন বৈচিত্ৰ্য-বহুল কৰিব পাৰি।

অমিত্ৰাক্ষৰ ছন্দৰো অমিত্ৰক্ষাৰেই মূল কথা নহয়; পয়াৰ ছন্দৰ অমিল ঘটোৱাই এই ছন্দৰ প্ৰবৰ্ত্তকসকলৰ কৃতিত্ব হোৱা হলে ই তেওঁলোকৰ অতি অকিঞ্চিৎকৰ কীৰ্ত্তি হলহেতেন; কিন্তু সি নহয়। অমিত্ৰাক্ষৰতা নিশ্চয় তাৰ অচ্ছেদ্য অঙ্গ নহয়: মিলৰ অভাৱ বা সদ্ভাৱে তাৰ স্বৰূপত কোনো পাৰ্থক্য নঘটায়। পদ বা পয়াৰৰ দুৰ্ব্বলতা আছিল তাৰ পৰ্ব্ব-গঠন আৰু যতি-স্থাপনত বৈচিত্ৰ্যহীনতা; মুঠেই দুটি পংক্তিৰ ভিতৰত দুটি ভাব-সমাপ্তিৰ অধীনতা আৰু পংক্তিৰ অন্তত পূৰ্ণ যতিস্থাপন। মিত্ৰাক্ষৰত পংক্তি য'ত শেষ হয়, ভাৱ আৰু ছন্দৰ প্ৰবাহো তাতে বিৰত হয়; অমিত্ৰাক্ষৰৰ কৃতিত্ব পৰ্ব্ব-গঠন আৰু যতি-

স্থাপনত বৈচিত্র্য-সাধন, মুঠেই দুটি পংক্তিৰ ভিতৰৰ পৰা ভাবক মুক্তিদান আৰু প্রতি পংক্তিৰ অন্তত পূর্ণ যতি-স্থাপন বিষয়ত স্বাধীনতা। এনে নিয়ম পালি অমিত্রাক্ষৰক ইচ্ছামতে অমিল বা সমিল কৰিব পাৰি, কিন্তু পংক্তিৰ পৰা পংক্তিলৈ ভাব আৰু ছন্দৰ সোত বোৱাই দিয়াই (এনজাম্বেমেণ্ট) ইয়াৰ প্রাণ-বস্তু, গতিকে ইয়াক প্রকৃততে প্রবাহমান ছন্দ বোলা উচিত।

পদ বা পয়াৰক চৌধ আখৰত আৱদ্ধ নাৰাখি ষোল বা ওঠৰ আখৰেৰেও বৰ্দ্ধিত পয়াৰ ৰচনা কৰি তাকো প্রবাহমান কৰিব পৰা হয়। পৰ্ব্বগঠন-ৰীতি আৰু যতিস্থাপন-পদ্ধতি বন্ধনযুক্ত হলেও ই ছন্দৰ প্রাণ বা মূলতত্ত্ব ; কিন্তু ছন্দই যেতিয়া প্রতি পংক্তিৰ শেষত থকা বিৰাম, যতি আৰু আখৰ-সংখ্যা অতিক্রম কৰি পংক্তিৰ পিছত পংক্তি বুৰাই আৰু ওপচাই বৈ যাব পাৰে, তেতিয়া প্রতি পংক্তিৰ নির্দ্দিষ্ট আখৰ সংখ্যাত আৱদ্ধ থাকিবৰ কোনো অপৰিহাৰ্য্য কাৰণ নাথাকে। ৰবীন্দ্রনাথে বঙলা সাহিত্যত এই তত্ত্বকে লৈ ইংৰাজী "ভাৰ্ছ লিবাৰ"ৰ অনুকৰণত অক্ষৰবৃত্তৰ এক মুক্তক ছন্দ ব্যৱহাৰ কৰিছে।

অসমীয়া সাহিত্যত এনে দৰে ছন্দ-ৰাজ্যৰ সম্ভাব্যতাৰ পৰিসৰ বঢ়াবলৈ কোনো লেখকে তেনে উল্লেখযোগ্য চেষ্টা কৰা নাই। ৰবীন্দ্রনাথে বঙলাৰ প্রচলিত মৌখিক গীত-কবিতাৰ ছাঁ লৈও ৰস-সাহিত্যৰ উপযোগী ভালেখিনি ছন্দ আবিষ্কাৰ কৰিছে। অসমীয়াতো তেনে চেষ্টাৰ বাবে যে ঠাই আৰু আহল-বহল, ই নিশ্চয় ; কিন্তু এনে চেষ্টা দূৰৰ কথা, সাধাৰণ অক্ষৰ-বৃত্তৰ ছন্দৰ নিয়মকে আয়ত্ত কৰিব নোৱাৰাকৈ লিখা পদ্যৰ নমুনা অনেক আগশাৰীৰ ঠাই বিচৰা পদ-পুথিতো প্রায়ে পোৱা হয় ; ই সচাঁকৈয়ে অমাৰ্জ্জনীয়। অসমীয়া কাব্য-সাহিত্যৰ আন আন বিভাগৰ দৰে ছন্দ-শিল্পৰো বিশেষ চৰ্চ্চা প্রয়োজনীয়। (মহেন্দ্র বৰাৰ "অসমীয়া কবিতাৰ ছন্দ" চাওক)।

অসমীয়া সাহিত্যৰ অতি-আধুনিক স্মৃতি

অসমীয়া সাহিত্যৰ বুৰঞ্জী কিছুমান ৯ অঙ্কৰ বৈশিষ্ট্যেৰে পূর্ণ ; ১৪৪৯ত শঙ্কৰদেৱৰ জন্ম। ১৭৮৯ত আৰম্ভ হোৱা ফৰাছী বিপ্লৱৰ প্রভাৱত ইংৰাজী সাহিত্যৰ যি নৱন্যাস যুগ আৰম্ভ হয়, তাৰ প্রভাৱতে ঠিক তাৰ পাঁচ কুৰি বছৰৰ পাছত ১৮৮৯ত অসমীয়া নৱন্যাস আন্দোলনৰ জনম-দিওঁতা "জোনাকী" কাকত ওলায়। ইয়াৰ ঠিক তিনি কুৰি বছৰৰ আগতে অসমীয়া সাহিত্যৰ আধুনিক

যুগৰ অগ্ৰদূত আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম হয় ১৮২৯ত। "জোনাকী"ৰ জন্মৰ পূৰা একুৰি বছৰৰ পাছত অসমীয়া নৱন্যাসৰ পৰৱৰ্তী স্তুতিৰ জনম দিওঁতা "বাঁহী" কাকতৰ জন্ম হয় ১৯০৯ত। ইয়াৰ আকৌ পূৰা কুৰি বছৰৰ পাছত অসমীয়া সাহিত্যৰ বৰ্তমান বেমেজালি যুগৰ জনম-দিওঁতা "আৱাহন" কাকতৰ জন্ম হয় ১৯২৯ত।

আগৰ "জোনাকী" আৰু পাছৰ "বাঁহী"ৰ যুগৰ দুই স্তুতি ধৰি অসমীয়া নৱন্যাসৰ জীৱন-কাল পূৰা দুকুৰি বছৰ; এই দুকুৰি বছৰেই লক্ষ্মীনাথ বেজবৰুৱাৰো অধিনায়কত্বৰ কাল। ইয়াৰ পাছত আৰু ৬।৭ বছৰ জীয়াই থাকিলেও, তেতিয়াৰ পৰাই তেওঁৰ লিখনিও শিথিল হয় আৰু "বাঁহী"ও তেওঁৰ হাতৰ পৰা সৰি পৰে। "জোনাকী"ত নৱন্যাসৰ স্তুতি চন্দ্ৰকুমাৰ-লক্ষ্মীনাথৰ লিখনিয়েদি যিমান দ-কৈ বৈছিল, "বাঁহী"ত যতীন্দ্ৰনাথ আদিৰ লিখনিয়েদি সি তুলনাত তৰাং হৈ আহি শেষত সি প্ৰায় শুকাই গ'ল বুলিব পাৰি। আনফালে ইংৰাজী সাহিত্যৰ ভিক্টৰীয়া যুগৰ দৰে অসমীয়া সাহিত্যত নীতি, ভাব, ভাষা আদিত যি চিৰাচৰিত নৈষ্ঠিকতা আছিল, প্ৰতি পদে তাক ভাঙিবলৈ কালাপাহাৰইঁতৰ জন্ম হ'ল। নীতিৰ ফালত দণ্ডিনাথ কলিতাৰ "সাধনা" তাৰ উদাহৰণ বুলিব পাৰি; আৰু আচৰিত কথা, অসম সাহিত্য সভাৰ পৰীক্ষক-সকলৰ মাজত মতভেদ হোৱা অৱস্থাত লক্ষ্মীনাথ বেজবৰুৱায়ে "সাধনা"ক সমৰ্থন জনাইছিল।

ই প্ৰকৃততে আচৰিত বা অস্বাভাৱিক একো নহয়। প্ৰথম মহাসমৰৰ পাছতেই ইংৰাজী সাহিত্যত এই অতি-আধুনিক ভাব-ধাৰাই ভুমুকি মাৰিছিল; আৰু অসমীয়া নৱন্যাস যেনেকৈ ইংৰাজী নৱন্যাসৰ পাঁচ কুৰি বছৰৰ পিছ, এই অতি-আধুনিক ভাব-ধাৰাও তেনেকৈ ইংৰাজী সাহিত্যতকৈ দেঢ় কুৰি বছৰৰ পিছত দ্বিতীয় মহাসমৰৰ শেষতহে অসমীয়া সাহিত্যত দেখা দিছে। কিন্তু ইংৰাজী সাহিত্যলৈ এই নবীনতম ভাব-ধাৰা বোৱাই আনোতাসকল আছিল প্ৰথম মহাসমৰত আগভাগ-লওঁতা, গতিকে তেওঁলোকৰ অভিজ্ঞতা ভুৱা নহয়; তেওঁ-লোকৰ তুলনাত ইংৰাজী সাহিত্যৰ ভিক্টৰিয়া যুগৰ ভাব-ধাৰাৰ পৰা প্ৰথম ফালৰি কাটি আহোঁতা কিপ্লিং, ব্ৰিজেছ, হাৰ্ডি, য়িট্‌ছ আদিও পুৰণিহে বুলিব পাৰি। কিন্তু যোৱা মহাসমৰ দুখনৰ এখনেও অসমক কিয়, ভাৰতকো ছুই যোৱা নাই বুলিব পাৰি, তাত আগ-ভাগ লোৱাৰ যে কথাই নাই; এনে স্থলত

অসমীয়া তথা ভাৰতীয় সাহিত্যৰ বাবে এই অতি-আধুনিক ভাব-ধাৰা ধাৰ কৰা বুলিহে কব লাগিব, গতিকে ইয়াত মৌলিকতাৰ ইমান আকাল। ইংৰাজী সাহিত্যৰ অতি-আধুনিক সাহিত্যৰ যি ভ্ৰান্তি-নাশনৰ সুৰ সি নিৰাশাৰ নহয়, তাৰ বিদ্ৰূপৰ ভাবো হতাশৰ নহয় ; তেওঁলোকৰ আন্তৰিকতা, স্পষ্টবাদিতা আৰু বাস্তৱতা প্ৰভৃতি মৌলিক গুণবোৰৰেই ভাৰতীয় অতি-আধুনিক বোলা সাহিত্যত আকাল। এই বাবেই এই নতুন ৰচনাবোৰে সৰ্বসাধাৰণৰ মন টানিব পৰা নাই, আৰু টানিব নোৱৰা কথাই। অৱশ্যে দুই মহাসমৰে চুইছিল বুলিয়েই যে জগতৰ নতুন ভাব-ধাৰাই ভাৰতক একেবাৰে চুচুৰ তেনে কথাও নহয় ; সেইহে সেই নতুন ভাববোৰৰ ছুটি-এটিয়ে ভাৰতীয় তথা অসমীয়া মনক জোকাইছেহি। (অধ্যয়ন, ২৭৫-৭৮ পিঠি)

অসমীয়া সাহিত্যত এই নতুন-ভাব-ধাৰাৰ প্ৰবেশ নিজৰ গুণত নহয়, তাৰ পূৰ্ববৰ্তী নৱন্যাস সাহিত্যৰ দুৰ্বলতাৰ হেতুত। অসমীয়া নৱন্যাসৰ দ্বিতীয় স্তুতিত বৰগুনি যোগাওঁতা ৰঘুনাথ, অম্বিকাগিৰি, যতীন্দ্ৰনাথ, ৰত্নকান্ত, সূৰ্য্যকুমাৰ, ডিম্বেশ্বৰ, বিনন্দচন্দ্ৰ প্ৰভৃতিৰ লাগতিয়াল বৰগুণি ১৯২৯ৰ আগৰ। উপন্যাস, নাটক আদিতো দণ্ডিনাথ, দৈৱচন্দ্ৰ, জ্যোতিপ্ৰসাদ প্ৰভৃতিৰ লেখৰ কিতাপ-কেখনৰ বিষয়েও একে কথা। ১৯২৯ৰ পাছতো জ্যোতিপ্ৰসাদৰ নাট, দেৱকান্ত আৰু নলিনীবালাৰ কবিতা ৰচিত হৈছে ; কিন্তু এওঁলোকে স্বৰূপতে সেই নৱন্যাসৰ দ্বিতীয় স্তুতিটোকে ধৰি আছিছে। আগতে কোৱা হৈছে, অসমীয়া নৱন্যাসৰ প্ৰথম স্তুতিতকৈ দ্বিতীয় স্তুতি বহুত তৰাং ; তাৰ প্ৰমাণ, চন্দ্ৰকুমাৰৰ "প্ৰতিমা" "বীণবৰাগী" আৰু লক্ষ্মীনাথৰ "কদম-কলি"ৰ অন্ততঃ শ্ৰেষ্ঠ কবিতাখিনিৰ সমতুল্য ৰচনা পাছৰ যুগত সাধাৰণতে নাই। আকৌ ভাবৰ তেনে গভীৰতা নহলেও, বৰ্ণনা-মাধুৰ্য্যত ৰঘুনাথৰ "সাদৰী", "কেতেকী"ৰ যোৰ তেওঁৰে "দহিকতৰা" আদিয়ে নাপায়। ওজঃ গুণত অম্বিকাগিৰিৰ বৈশিষ্ট্য সদায় থাকিলেও, "তুমি"ত মাধুৰ্য্যৰো যি সমাবেশ আছিল, তেওঁৰ পাছৰ ৰচনাত সি নাই।

অমৰ ওমৰক যেনেকৈ ফিজ্জাৰেল্ডে আদ্‌ৰণীয়া কৰিলে, যতীন্দ্ৰনাথেও তেনেকৈ ফিজ্জাৰেল্ডক আদ্‌ৰণীয়া কৰিলে ; কাণত সুত-লগা শব্দ-বাচনি আৰু পদ-লালিত্য তেওঁৰ চিৰ বৈশিষ্ট্য হলেও ভাবৰ গভীৰতা আৰু বৈচিত্ৰ্য প্ৰকাশ কৰিব পৰা শক্তিৰ দৈন্যই "ওমৰ-তীৰ্থ"ক ক্ষুণ্ণ নকৰি থকা নাই। ত্ৰিশ-বোৰত আৰু পঞ্চাশবোৰৰ ভিতৰত প্ৰকাশিত তেওঁৰ "আপোন সুৰ", "বনফুল"

আদিৰ প্ৰকৃততে অতি সৰহখিনিয়েই তেওঁৰ ১৯০৯-২৯ৰ ভিতৰৰ ৰচনা; কিন্তু বাস্তৱতে কুৰি শতিকাৰ তৃতীয় দশকৰ আগতেই তেওঁৰ কবিতাৰ উহ শুকাই যোৱা বুলি ধৰিব পাৰি, কিয়নো "নাৰবীয়া" আদি কবিতাৰ সৃজনী-প্ৰতিভা পাছৰ কবিতাবোৰত বিৰল। যি দৰ্শনকে আৰোপ কৰা হওক, তেওঁৰ পাছৰ কবিতাবোৰত তেওঁৰ সেই চিৰকুমাৰ, নিৰ্জন, তিক্ততাসুলভ আৰু হতাশ জীৱনৰ হা-হুমুনিয়াহেই প্ৰতিফলিত হৈছে যে সন্দেহ নাই।

যতীন্দ্ৰনাথৰ দৰে কবিতা-দেৱীৰ বাবে উছৰ্গা কৰা জীৱন আৰু নলিনীবালাৰ নিচিনাকৈ ৰবীন্দ্ৰ কাব্য-দৰ্শন গ্ৰহণ কৰোঁতা বন্নকান্ত বৰকাকতীৰো কবি-জীৱন বিঘিনিশূন্য নহয়। ইংৰাজী সাহিত্যত "জন্ গিল্‌পিন্" কবিতাৰ দৰে দণ্ডিনাথৰ দুই-চাইটি কবিতা অসমীয়া সাহিত্যত চিৰ-উপভোগ্য হৈ ৰব বুলি আশা কৰিব পাৰি। বুৰঞ্জী আদি বিভিন্ন ক্ষেত্ৰৰ খ্যাতি নোলোৱা হলে "নিৰ্মালি"ৰ কেইটিমান বিতোপন কবিতাৰ বাবে সূৰ্য্যকুমাৰে কবি-খ্যাতি নিৰ্বিবাদে ভোগ কৰি থাকিলহেঁতেন। "অসমা" আৰু "বিচিত্ৰা" পুথি দুখনিৰ আলোচনাত দুজন অন-অসমীয়া বিশ্ব-বিশ্ৰুত পণ্ডিতে ডিম্বেশ্বৰৰ কবিত্ব-শক্তিৰ উচ্চ প্ৰশংসা কৰিছে। আবেগৰ স্বাভাৱিক উত্তাপ নাথাকিলেও জাতীয় ছন্দত লিখা বিনন্দৰ "গড়গাঁও" আদি দুই এটি কবিতা দীৰ্ঘজীৱী হব বুলি আশা কৰিব পাৰি। অতুলচন্দ্ৰক কেন্দ্ৰতকৈ পৰিধিৰ কবি বুলিব পাৰি। ভাব-বৈশিষ্ট্য নহলেও সুন্দৰ শব্দ-গাঁথনি আৰু পদ-লালিত্যেৰে শৈলধৰ, আৰু অলপ অস্পষ্ট হলেও মৌলিক ভাবেৰে কমলেশ্বৰ, প্ৰতিনিধিমূলক কবি। বিশ্ববিদ্যালয়ৰ দুৱাৰ-দলিত ভৰি নিদিয়াকৈও স্বাভাৱিক শক্তিৰে কবি-প্ৰসিদ্ধি লাভ কৰা ত্ৰিমূৰ্ত্তি ৰঘুনাথ—নলিনীবালা—ধৰ্মেশ্বৰী। অলপ বয়সতে কবি-প্ৰসিদ্ধি লভি ৰাজনীতিলৈ যোৱা দেৱকান্ত আৰু আচৈ কুৰিৰ সিফাললৈকে ৰাজনীতিত থাকি তাৰ পৰা সাহিত্যলৈ অহা নীলমণি, ৰহস্যপূৰ্ণ। নীলমণিৰ সৰহভাগ পদ্য যদি গদ্য হেন, তেওঁৰ সৰহখিনি গদ্য, ভাবৰ কথা এৰি, পদ্য হেন। প্ৰথম যৌৱনৰ ভাব-ভাবাৰ ফেন নৌ যাব যাওঁতেই "পাপৰি" লেখক গণেশচন্দ্ৰ আদি ঢোপাতে মৰহিল। প্ৰতিনিধিমূলক ভাৱেহে এই কেজনক লৈ আলোচনা মুকলি কৰা হৈছে।

অসমীয়া গীত-ৰচনাৰ কাহিনীও ৰহস্যজনক; বৰ্ত্তমান কবিতাৰ দৰেই অতীতৰ লগত ইয়াৰ সম্বন্ধ ছিগা; কি ভাব, কি ভাষা, উভয়তে। বৰ্তমানৰ

উপযোগী গীত-ৰচনা আৰম্ভ হয় যোৱা শতিকাৰ আশীবোৰত সত্যনাথৰ "গীতাৱলী"ৰ যোগে, আৰু বেণুধৰে তেওঁক অনুসৰণ কৰে। বৰ্তমান শতিকাৰ প্ৰথম দশকত লক্ষ্মীৰামৰ "সঙ্গীত-সাধনা" আৰু "সঙ্গীত-কোষে"ৰে বৰ্তমান অসমীয়া গীতৰ উদ্বোধন হয়। আগৰ এসময়ৰ ভাব-সুৰ উভয়তে বঙালীৰ অনুকৰণ কৰাৰ পৰিবৰ্তে হ'ল মৌলিক ভাব, কিন্তু বঙলা সুৰৰ অনুকৰণ ; যেনে দ্বিজেন্দ্ৰলাল সুৰৰ অনুকৰণত পদ্মধৰৰ "ফুলনি" আৰু ৰবীন্দ্ৰনাথৰ সুৰৰ অনুকৰণত ডিম্বেশ্বৰৰ "সঁফুৰা", এই শতিকাৰ দ্বিতীয়-তৃতীয় দশকত। কিন্তু এই তৃতীয় দশকৰে শেষ ছোৱাত সেই অৱস্থাৰ সামৰণি পেলাই মৌলিক ভাব আৰু অসমীয়া আই-নাম বিয়া-নামৰ সুৰত গীত-ৰচনাৰ পাতনি মেলিলে যাইকৈ জ্যোতিপ্ৰসাদে তেওঁৰ "শোণিত কুঁৱৰী"ত। তাৰ পাছত কীৰ্ত্তিনাথ বৰদলৈয়ে "বাসন্তীৰ অভিষেক" আৰু "লুইত কোঁৱৰ"ৰ ভিতৰেদি এই নতুন চেষ্টাক আৰু বৈচিত্ৰ্যময় কৰি অভিনন্দিত কৰিলে। কিন্তু ই বৰ দুখৰ কথা অসমীয়া গীত-ৰচনাৰ এই অভিনৱ চেষ্টা যোৱা দেড় কুৰি বছৰত যেনেদৰে আগবাঢ়িব লাগিছিল তেনে হোৱা নাই। বিয়া নাম বা দিহা নামৰ ভাল সুৰ এটাই গীত নহয়, তাৰ কথা অংশ যে আছে সিও পূৰ্ণ হব লাগিব ; তদুপৰি চহা-গীতৰ সুৰ এটাও সঙ্গীত-বিজ্ঞানৰ উচ্চতম খাপত আছে বুলি ধৰিব নালাগিব। অসমীয়া সঙ্গীতৰ দুৰ্ভাগ্য অসমীয়া কবিসকল সাধাৰণতে গায়ক নহয়, গায়কসকলো সাধাৰণতে কবি নহয় ; ততোধিক বেজাৰ লগা কথা, খোৱাই কণাক নিজ চকুৰ আৰু কণাই খোৱাক নিজ ভৰিৰ সুবিধা দিব নোখোজে।

এই কাল ছোৱাৰ নাটক, উপন্যাস আৰু চুটি-সাধুৰ বৰঙণিতো সেইদৰে নতুনতকৈ উত্তৰ-নৱন্যাস যুগৰ লেখকসকলৰ ভাগ বিশেষ। নাটকৰ বিষয়ে এই কালছোৱাত বঙলা নাটকৰ ভাওনি ৰঙ্গমঞ্চৰ পৰা একেবাৰে উলিয়াই খেদা হল বুলি গৌৰৱ কৰা হয় ; পাছে সেইটোৱেই যথেষ্ট নহয়, তাৰ ঠাইত কি দিয়া হল সেইহে যাই কথা। ইয়াৰ আগত দ্বিজেন্দ্ৰলাল আদিৰ লেখৰ নাটকবোৰ ভাওনি কৰি অভিনয় কৰা হৈছিল আৰু তাৰ পৰা ৰঙ্গমঞ্চই শিক্ষামূলক গুণ যথেষ্ট যোগাইছিল। ভাবহে সাহিত্য, ভাষা সাহিত্য নহয় ; এতেকে ৰঙ্গমঞ্চৰ সেই শিক্ষামূলক গুণ অটুট ৰাখিবলৈ হলে তেনে গঠনমূলক আৰু শিক্ষাপ্ৰদ ভাব যোগাব পৰা নাটক লাগে। শূন্য বিমানেই বৃহৎ হওক, তথাপি সি শূন্যই।

আগৰ দৰেই এই কালছোৱাতো সামাজিক আৰু সমস্যামূলক নাটকৰ আধিপত্য হীন ; পৌৰাণিক আৰু ঐতিহাসিক নাটকবোৰো প্ৰায় গতানুগতিক। পুৰাণ আৰু ইতিহাস মৃত কথা-পিণ্ড ; সেই দূৰ অতীতক অদূৰ ভৱিষ্যতৰ অগ্ৰদূত পাতিব লাগিব আজিৰ নাট্য সাহিত্যই, আৰু তাকে কৰিবলৈ হলে সেই মৃত নায়ক-নায়িকাবোৰক নিজ সৃজনীমূলক প্ৰতিভাৰে নতুনকৈ জীৱন্ত আৰু প্ৰাণৱন্ত কৰিব পাৰিব লাগিব। এই বিষয়তো আৱশ্যকীয় মৌলিক শক্তিৰ অভাৱ বুলিব নোৱাৰি ; অভাৱ হৈছে সেই শক্তি-প্ৰয়োগৰ আৰু সেই নাট-উপন্যাস কলাৰ প্ৰতি এক শৰণৰ। সামাজিক আৰু সমস্যামূলক নাটক লিখাৰ আৰম্ভণ আগতেই হৈছে ; পাছে সি এতিয়াও সেই আৰম্ভণতে আছে। বুদ্ধিমান আৰু সাহসী জ্যোতিপ্ৰসাদে তথাকথিত বাস্তৱ, প্ৰকৃততে নৱন্যাসমূলক, নাটকৰ চেষ্টা কৰিছিল ; তেওঁ যথেষ্ট সময় নাপালে। মিত্ৰদেৱ যথেষ্ট বুদ্ধিমান আছিল, কিন্তু সেই বুদ্ধিৰ অপব্যয় ঘটিল। অতুলচন্দ্ৰৰ জোখতকৈ লেখৰ চিন্তা ; নকুলচন্দ্ৰৰ অধ্যয়নৰ আৰু দৈৱচন্দ্ৰৰ একাগ্ৰতাৰ অভাৱ। প্ৰতিনিধিমূলকভাৱে এই সকলৰ উল্লেখ কৰা হৈছে। পাদ-প্ৰদীপৰ দৰে কথা-ছবি আৰু আকাশ-বাণীৰ বাবে সম্প্ৰতি কিছুমান নাটক লিখা হৈছে ; সেইবোৰৰ সৰহ ভাগতে স্থায়ী সাহিত্যিক মূল্যতকৈ আধুনিকতম কল-কৌশল বুদ্ধি-কিটিপৰ দাবী সৰহ।

ভাৰতবৰ্ষৰ পূৰ্ব সীমান্ত প্ৰদেশ আৰু পৰ্বতীয়া আৰু জন-জাতিৰ মাজত ভৈয়ামৰ লোকৰ এই মাজুলিৰ নিচিনা, প্ৰকৃতিৰ কোলাত নৃ-তত্ত্বৰ আৰু সমাজৰ বুকত ভাষা-তত্ত্বৰ যাদুঘৰ স্বৰূপ, অসম নাটক-উপন্যাসৰ চিত্ৰ-বিচিত্ৰ সঁজুলিৰ ঘৰ। কিন্তু আটায়ে দেখি আচৰিত মানে, ইমানৰ সত্ত্বেও অসমীয়া নাট্যকাৰ ঔপন্যাসিক আদি শিল্পীসকল এই বিষয়ত উদাসীন আৰু নিৰ্বিকাৰ, যেন অসমীয়া সাহিত্য-শিল্পীসকল চৰিত্ৰ-অঙ্কনৰ নতুন পৰিস্থিতিত লাজকুৰীয়া, আৰু যেন তেওঁলোকে সমস্যাতঙ্ক ৰোগ ভোগ কৰিছে! অকল প্ৰাকৃতিক বা ভৌগোলিক পৰিস্থিতিয়েই নহয়, ইতিহাসেও পৰ্বত-ভৈয়ামক চিৰকাল এক কৰি ৰাখিছিল ; অথচ লক্ষ্মীনাথৰ ডালিমী বা পদ্মনাথৰ জিন্দু নামৰ একেজনী নাগিনী ছোৱালীৰ চৰিত্ৰ, ৰজনীকান্তৰ পানেই শুক্তি আদিৰ বাহিৰে অসমীয়া সাহিত্যই আপোন কৰি লোৱা পৰ্বতীয়া জাতীয় চৰিত্ৰ এতিয়ালৈকে ইমান বিৰল। সেই দৰেই যি চাহ-বাগিচাৰ বাবেই অসম বিদেশীৰ ওচৰত প্ৰথম